# তৃতীয় অধ্যায়

## ৩.০ বিনন্দ চন্দ্ৰ বৰুৱাৰ নাটকত স্বদেশপ্ৰেম

### ৩.১ বিনন্দ চন্দ্ৰ বৰুৱাৰ নাটক ঃ

অসমীয়া নাট্য সাহিত্য জগতৰ অন্যতম নাট্যকাৰ বিনন্দ চন্দ্ৰ বৰুৱা। স্বাধীনতাৰ পূৰ্বে নাটক সৃষ্টি কৰি দেশবাসীৰ প্ৰাণত স্বদেশপ্ৰেমৰ জোঁৱাৰ আনিবলৈ সক্ষম হোৱা নাট্যকাৰ — বিনন্দ চন্দ্ৰ বৰুৱা। অন্যহাতে বিনন্দ চন্দ্ৰ বৰুৱা অসমীয়া নাটকৰ স্বৰ্ণযুগৰ শুভাৰম্ভৰ অগ্ৰণী নাট্যকাৰসকলৰো অন্যতম।[১] অৱশ্যে বিনন্দ চন্দ্ৰ বৰুৱাৰ নাটক সংখ্যাত তাকৰ। দুখন পূৰ্ণাঙ্গ নাটক আৰু দুখন ধেমেলীয়া নাটকেৰে বৰুৱাৰ নাটকৰ সংখ্যা মুঠ চাৰিখন। তলত নাটককেইখনৰ পৰিচয় দাঙি ধৰা হ'ল।

### ৩.১.১ পাৰ্থ-সাৰথি ঃ

'পাৰ্থ-সাৰথি' (১৯৩৬) বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰথম নাটক। 'মহাভাৰতৰ সাৰ কথা'[২]ৰে নাট্যকাৰ বিনন্দ চন্দ্ৰ বৰুৱাই ১৯৩১ চনত 'পাৰ্থ-সাৰথি' নাটক ৰচনা কৰিছিল। জাঁজী নাট্য সমাজৰ তাগিদাত ৰচনা কৰা এই নাটকে সেই সময়ৰ নাট্য মঞ্চৰ প্ৰয়োজন পূৰণ কৰিছিল আৰু জাঁজী নাট্য মন্দিৰত এই নাটক একে বছৰতে মঞ্চস্থ হৈছিল।[৩] নাট্যকাৰ বৰুৱাই এই নাটকত শ্ৰীকৃষ্ণৰ ভাৱত অভিনয় কৰি দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিছিল।[৪] সেই সময়ৰ দীননাথ শৰ্মা সম্পাদিত 'আৱাহন' আলোচনীত ধাৰাবাহিক

১। হৰিচন্দ্ৰ ভট্টাচাৰ্য, *'অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি*, পৃ. 'গ'

২। "গোটেই মহাভাৰতৰ সাৰ কথাখিনি প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিলোঁ।" নিবেদন, পাৰ্থ-সাৰথি, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৪৮৫

৩। উল্লিখিত

৪। গোবিন্দ চন্দ্ৰ বৰুৱা, 'জামুগুৰি চাপৰিত মাজু ককাইদেউ আৰু জাঁজিৰ লাচিত মেলা', *ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা ব্যক্তিত্ব আৰু প্ৰতিভা*, সম্পা. ভৱ গোস্বামী, পৃ. ৭৫

ৰূপে প্ৰকাশ পাইছিল আৰু তেজপুৰৰ বাণ ৰঙ্গমঞ্চকে আদি কৰি অসমৰ অনেক ঠাইত এই নাটকৰ অভিনয়ো হৈছিল।[৫] ৩৪ টা দৃশ্য সম্বলিত এই নাট পঞ্চাঙ্কযুক্ত এখন পূৰ্ণাংগ নাটক।

অঙ্কীয়া নাটৰ পৰৱৰ্তী চুটি কলেবৰৰ সামাজিক নাটকে সমসাময়িক সমাজত দৰ্শকৰ ৰুচি পূৰণ কৰিব নোৱাৰা অৱস্থাত পূৰ্ণাঙ্গ পৌৰাণিক নাটকে সেই অভাৱ দূৰ কৰিছিল। এইক্ষেত্ৰত বৰুৱাৰ 'পাৰ্থ সাৰথি' নাটকখনিয়ে সমাজ জীৱনত এক গভীৰ আৰু শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰিছিল। পৰাধীন তথা মুমুৰ্ষ জাতিৰ প্ৰাণত ঐতিহ্যপ্ৰীতিৰ চেতনা জাগ্ৰত কৰাৰ লগতে মহাকাব্যিক চেতনাৰে উচ্চ নৈতিক আদৰ্শ স্থাপন আৰু জাতিক প্ৰাণৱন্ত কৰাৰ ক্ষেত্ৰত বৰুৱাৰ 'পাৰ্থ সাৰথি' উল্লেখযোগ্য। নাটকখনিৰ চৰিত্ৰ সৃষ্টিৰ সফলতা, উপযুক্ত সংলাপ, নৃত্য-গীত আৰু বিবিধ ৰসৰ সমাহাৰে বক্তব্য বিষয় অধিক মনোগ্ৰাহী। সেয়ে অসমীয়া পৌৰাণিক কাহিনীমূলক নাটকসমূহৰ ভিতৰত বৰুৱাদেৱৰ 'পাৰ্থ সাৰথি' 'এডুখৰি চিৰ উজ্জ্বল হীৰা।'[৬]

### ৩.১.২ শৰাইঘাট ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ দ্বিতীয় নাটক 'শৰাইঘাট' (১৯৩৮)। ইতিহাস প্ৰসিদ্ধ শৰাইঘাট ৰণৰ কাহিনীৰ আলমত ৰচিত 'শৰাইঘাট' ৩২ টা দৃশ্য সম্বলিত এখন পঞ্চাঙ্কযুক্ত পূৰ্ণাংগ ঐতিহাসিক নাটক। প্ৰসিদ্ধ 'শৰাইঘাট' ৰণক কেন্দ্ৰ কৰি ৰচনা কৰা নাটকৰ ভিতৰত বিনন্দ চন্দ্ৰ বৰুৱাৰ 'শৰাইঘাট' অসমীয়া নাট্য জগতৰ তৃতীয়খন নাটক।[৭] ইয়াৰ পূৰ্বে একেই কাহিনীবস্তুক কেন্দ্ৰ কৰি পোনপ্ৰথমে পদ্মনাথ গোহাঞিবৰুৱাই 'লাচিত বৰফুকন' (১৯১৫) আৰু লক্ষ্মীনাথ বেজবৰুৱাই 'চক্ৰধ্বজ সিংহ' (১৯১৫) ৰচনা কৰিছিল।

ইতিহাস প্ৰসিদ্ধ 'শৰাইঘাট' নাটকৰ কাহিনীবস্তু হৈছে আহোম ৰজা চক্ৰধ্বজ সিংহৰ

---

৫। পূৰ্বোল্লিখিত
৬। ডিম্বেশ্বৰ দয়াল শৰ্মা, 'কৃতী নাট্যকাৰ বিনন্দ চন্দ্ৰ বৰুৱাৰ পূণ্য স্মৃতিত', *প্ৰতিধ্বনি*, সম্পা. হিমেন ভট্টাচাৰ্য্য, পৃ. ৩১
৭। হৰিচন্দ্ৰ ভট্টাচাৰ্য্য, *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি*, পৃ. ৪২৬

ৰাজত্বকালত দিল্লীৰ বাদশ্বাহে গুৱাহাটী দখলৰ বাবে পঠোৱা সেনাপতি ৰামসিংহৰ লগত অসমীয়া সেনা আৰু সেনাপতি লাচিত বৰফুকনৰ তয়ামযা যুদ্ধৰ বৰ্ণনা আৰু সেই যুদ্ধত পৰম বিক্ৰমেৰে যুঁজ দি মোগলক মানাইলৈকে খেদি গুৱাহাটী অসমীয়া সেনাৰ দখলত ৰখা বীৰত্বব্যঞ্জক কাহিনী। অন্যহাতে এই নাটক হৈছে দেশপ্ৰাণ লাচিত বৰফুকনে নিজ মোমায়েকক কৰ্তব্যত গাফিলতি কৰাৰ বাবে 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি তৰোৱালেৰে ডিঙি কাটি মাতৃভূমিক মোগলৰ আক্ৰমণৰ পৰা উদ্ধাৰ কৰাৰ বীৰত্বব্যঞ্জক কাহিনী। নাটকখনিৰ মুখ্য চৰিত্ৰ লাচিত বৰফুকন অসমীয়া জাতিৰ অনুপ্ৰেৰণাৰ থলি। অসম অসম বুৰঞ্জীৰ হীৰাসদৃশ বীৰ চৰিত্ৰ লাচিত বৰফুকনৰ বীৰত্ব, ত্যাগ, কৰ্তব্যনিষ্ঠাৰ গুণে স্বদেশপ্ৰেমৰ স্বাক্ষৰ বহন কৰি অসমৰ ইতিহাসত চিৰদিন জিলিকি আছে। লগতে নাটকত বৰ্ণিত অসমীয়া সেনাৰ শৌৰ্য-বীৰ্যই অসমীয়া জাতিৰ প্ৰাণত স্বদেশপ্ৰেম উদ্ৰেগ কৰি আহিছে। পৰাধীন জাতিৰ প্ৰাণত দেশভক্তি প্ৰজ্জ্বলিত কৰা এই কাহিনী, চৰিত্ৰ স্বদেশপ্ৰেমৰ নিদৰ্শন। কাহিনীভাগৰ জৰিয়তে বৰ্তমানক উপলব্ধি কৰোৱাৰ ক্ষেত্ৰত বিনন্দ চন্দ্ৰ বৰুৱাৰ 'শৰাইঘাট' নাটকৰ গুৰুত্ব অসীম। সেয়ে হৰিচন্দ্ৰ ভট্টাচাৰ্যই নাটখনিৰ সন্দৰ্ভত উল্লেখ কৰিছে, নাটখনি অসমীয়া নাট্য জগতলৈ বৰুৱাৰ 'বিনন্দীয়া অৱদান'।[৮]

### ৩.১.৩ বেঙ্গেনা ৰহস্য আৰু টি-টি-হেই ঃ

বিনন্দ চন্দ্ৰ বৰুৱাই 'বেঙ্গনা ৰহস্য' আৰু 'টি-টি-হেই' নামৰ দুখন প্ৰহসনো ৰচনা কৰিছিল। ব্যঙ্গাত্মক লেখক হিচাপেও বিনন্দ চন্দ্ৰ বৰুৱাৰ পৰিচয় এই দুই ৰচনাই বহন কৰিছে। উল্লেখযোগ্য যে, 'টি-টি-হেই' নামৰ ব্যঙ্গ নাটিকাখনিৰ বহুবোৰ পৃষ্ঠা নষ্ট হোৱাৰ বাবে প্ৰকাশৰ অযোগ্য হৈ পৰে আৰু ৰচনাৱলীত সেয়ে অন্তৰ্ভুক্ত নহ'ল।[৯] ফুচুৰি কথাৰে দৰ্শকৰ তনমন আনন্দত মতলীয়া কৰিব পৰা গুণ সম্বলিত তিনিটা অংকযুক্ত 'বেঙ্গেনা ৰহস্য' নাট্যকাৰৰ মৌলিক চিন্তাৰ পৰশ থকা গাঁৱলীয়া ৰসাল চিত্ৰ

---

৮। হৰিচন্দ্ৰ ভট্টাচাৰ্য্য, 'বিনন্দ চন্দ্ৰ বৰুৱাৰ ধেমেলীয়া নাট', *ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা ব্যক্তিত্ব আৰু প্ৰতিভা*, সম্পা. ভৱ গোস্বামী, পৃ. ১০

৯। সুনীল পৱন বৰুৱা (সম্পা.) প্ৰস্তাৱনা, বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী, পৃ. ৮

আৰু তাহানিৰ নিদানৰ সম্পদ।[১০]

ইয়াৰ উপৰিও ‘অষ্টবজ্র’, ‘শকুন্তলা’ নামৰ দুখন গহীন নাটক ৰচনা কৰাৰ তথ্যও জানিব পৰা গৈছে।[১১] অৱশ্যে এইক্ষেত্ৰত বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী সংকলন সম্পাদক সুনীল পৱন বৰুৱা নিমাত। বৰুৱাৰ সমগ্ৰ ৰচনাৱলীতো তেনে কোনো ৰচনাৰ ইংগিত পোৱা নগ'ল। তাৰ উপৰি অধ্যয়ন কৰা কোনো উৎসতেই এই সন্দৰ্ভত অধিক তথ্য লাভ কৰিব পৰা নগ'ল।

### ৩.২ বিনন্দ চন্দ্ৰ বৰুৱাৰ নাটকত প্ৰকাশিত স্বদেশপ্ৰেম ঃ

সাহিত্যৰ বিবিধ উপাদানৰ জৰিয়তে কোনো এটা বাৰ্তা বা আবেদন জনসমাজত বিয়পাই দিয়া হয়। এইক্ষেত্ৰত ‘নাটক’ এক বলিষ্ঠ মাধ্যম। অসমীয়া সাহিত্যত প্ৰতিফলিত স্বদেশপ্ৰেমৰ আবেদন জনসমাজত বিয়পাই পৰাধীন জাতিৰ প্ৰাণত স্বদেশচেতনা প্ৰবল কৰি তোলাৰ ক্ষেত্ৰত বিনন্দ চন্দ্ৰ বৰুৱাৰ নাটকৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। এইক্ষেত্ৰত ঐতিহাসিক নাটক ‘শৰাইঘাট’ৰ অৱদান সবাতোকৈ উল্লেখযোগ্য। অৱশ্যে পৌৰাণিক নাটক আৰু অন্যান্য নাটকৰ ভূমিকাও নুই কৰিব নোৱাৰি। উল্লেখযোগ্য যে, স্বাধীনতাৰ পূৰ্বে এনে নাটক ৰচনা কৰাৰ মূল লক্ষ্য আৰু উদ্দেশ্য আছিল জাতিৰ প্ৰাণত স্বদেশ চেতনা জগাই তোলা আৰু স্বাধীনতাৰ প্ৰতি অনুৰাগ বৃদ্ধি কৰা। এইক্ষেত্ৰত পোনা মহন্তৰ মত উল্লেখযোগ্য—

> সেই সময়ছোৱা আছিল দেশৰ মুক্তি-সংগ্ৰামৰ সময়। দাসত্বৰ শিকলিৰপৰা দেশক মুকলি কৰাৰ চেষ্টাৰে নাট্যকাৰসকলে দেশৰ প্ৰাচীন গৌৰৱক আৰু ঐতিহ্যৰ কথা সোঁৱৰাই দি সাম্ৰাজ্যবাদৰ বিৰুদ্ধে দেশবাসীৰ অন্তৰত গভীৰ চেতনা উদ্ৰেক কৰিবলৈ বিচাৰিছিল। তেনেকুৱা পৰিস্থিতিত স্বাভাৱিকতে জাতীয়-ভাৱাপন্ন পৌৰাণিক আৰু ঐতিহাসিক কাহিনীৰ আদৰ বাঢ়িছিল।[১২]

---

১০। পূৰ্বোল্লিখিত

১১। সৰ্বেশ্বৰ ৰাজগুৰু, ‘জাতীয়তাবাদী কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ ধ্বনি কাব্যত এভুমুকি’, *প্ৰতিধ্বনি*, সম্পা. হিমেন ভট্টাচাৰ্য, পৃ. ২১

১২। পোনা মহন্ত, ‘আধুনিক অসমীয়া নাটক’, *নাটক আৰু অসমীয়া নাটক*, পৃ. ৯৩

উল্লেখযোগ্য যে, স্বদেশপ্ৰেমৰ ভাৱধাৰা যি বিশিষ্ট ৰূপত বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ মাজত প্ৰকাশ পাইছে সেই একেই ভাৱধাৰা বৰুৱাৰ নাটকৰ মাজতো প্ৰকাশ পাইছে। অৱশ্যে পৌৰাণিক নাটকতকৈ এইক্ষেত্ৰত ঐতিহাসিক নাটকৰ প্ৰভাৱ অসীম। জাতিৰ প্ৰাণত ঐতিহ্য চেতনা জগাই তোলাৰ লগতে স্বদেশপ্ৰেমত উদ্বুদ্ধ কৰি গঢ়ি তোলা উদ্দেশ্যে আৰু লক্ষ্যেৰে ৰচনা কৰা এই শ্ৰেণী নাটকত প্ৰতিফলিত স্বদেশপ্ৰেম অতুলনীয়। পৌৰাণিক নাটকৰ চৰিত্ৰ আৰু সংলাপৰ মাজেৰেও স্বদেশপ্ৰেম প্ৰতিফলিত হয়। ঐতিহ্যপ্ৰীতি সৃষ্টি কৰা আৰু মহৎ নৈতিক আদৰ্শ স্থাপনৰ জৰিয়তে জাতিক পৰিশোধনৰ মন্ত্ৰ প্ৰদান কৰা এইশ্ৰেণী নাটকৰ অন্যতম ‘পাৰ্থ-সাৰথি’। অন্যহাতে বুৰঞ্জীৰ আলমত ৰচনা কৰা বৰুৱাৰ ‘শৰাইঘাট’ নাটকৰ অতীত ৰোমন্থনে স্বদেশপ্ৰেমৰ অনুপ্ৰেৰণা প্ৰদান কৰি জাতিক উজ্জীৱিত কৰি ৰাখিছে। তলত দুয়োখন নাটকত প্ৰতিফলিত স্বদেশপ্ৰেম বিচাৰ কৰা হ’ল।

### ৩.২.১ ‘পাৰ্থ-সাৰথি’ নাটকত প্ৰকাশিত স্বদেশপ্ৰেম ঃ

ৰামায়ণ, মহাভাৰত, পুৰাণ, উপপুৰাণৰ আৰ্হিত ৰচিত পৌৰাণিক নাটকৰ মূল উদ্দেশ্য হৈছে এক আদৰ্শ জীৱন-যাপনৰ জৰিয়তে পৰমাৰ্থিক তত্ত্বৰ অনুসন্ধান কৰা। জাতিক পৰিশোধনৰ মন্ত্ৰ প্ৰদান কৰাৰ উদ্দেশ্য নিহিত হৈ আছে। মহাকাব্যিক প্ৰেৰণা প্ৰোথিত কৰি সমাজ জীৱন আগুৱাই যোৱাৰ আহ্বান নিহিত হৈ থাকে— এই পৌৰাণিক নাটকত। সেয়ে যুগে যুগে মানুহক এনে নাটকে আলোড়িত আৰু আন্দোলিত কৰি ৰাখিছে। বিনন্দ চন্দ্ৰ বৰুৱাৰ পৌৰাণিক নাটক ‘পাৰ্থ-সাৰথি’ৰ ভূমিকা সমসাময়িক সমাজত এইক্ষেত্ৰত অত্যন্ত বেছি আছিল। এনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ‘পাৰ্থ-সাৰথি’ নাটকত প্ৰতিফলিত হোৱা স্বদেশপ্ৰেমৰ প্ৰকাশ এনেধৰণৰ—

#### ৩.২.১.১ ঐতিহ্যৰ প্ৰতি গভীৰ শ্ৰদ্ধা ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ ‘পাৰ্থ সাৰথি’ নাটকৰ বিষয়বস্তু মহাভাৰত আধাৰিত। কাহিনী গ্ৰন্থনৰ মূল উদ্দেশ্য হৈছে দেশৰ মহৎ ঐতিহ্য সোঁৱৰণ আৰু তাৰ জৰিয়তে মুমূৰ্ষ পৰাধীন জাতিৰ প্ৰাণত জননী জন্মভূমি তথা দেশমাতৃৰ প্ৰতি অনুৰাগ বৃদ্ধি কৰা। ঐতিহ্যলব্ধ আদৰ্শবাদী জীৱন সম্পৰ্কীয় দৃষ্টিভংগীৰ

প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে দেশবাসীৰ প্ৰাণত 'ন্যায়' আৰু 'অধিকাৰ'ৰ হকে যুঁজ দিয়াৰ মনোবল প্ৰোথিত কৰি জাতিক এই নাটকে অনুপ্ৰাণিত কৰিছিল। 'ধৰ্মৰ জয় আৰু অধৰ্মৰ পৰাজয়', 'য'তে ধৰ্ম ত'তে জয়' ইত্যাদি সংলাপৰ জৰিয়তে 'পাৰ্থ-সাৰথি' নাটক অসমীয়া মানুহৰ প্ৰাণত মহৎ ঐতিহ্যৰ মহৎ আদৰ্শ প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ উপৰিও নাটকখনিত বৰ্ণিত হৈছে স্বধৰ্মৰ শ্ৰেষ্ঠতা। স্বধৰ্ম ৰক্ষাৰ আহ্বান ধ্বনিত হৈছে নাটকৰ কৃষ্ণ চৰিত্ৰৰ সংলাপত এনেদৰে—

> কৃষ্ণঃ ... স্বধৰ্মত নিধনো শ্ৰেষ্ঠ, পৰধৰ্ম ভয়াবহ। ... কৰ্মত প্ৰবৃত্ত হোৱা অৰ্জুন। কৰ্মত প্ৰবৃত্ত হোৱা। কৰ্মফল নাভাবি, তোমাৰ কৰ্তব্য কৰা। দুখত কাতৰ নহৈ, আনন্দত বিভোৰ নহৈ, অনুৰাগ আৰু ভয় বিসৰ্জন দি প্ৰকৃত জ্ঞানীৰ দৰে কাম কৰা। যি জ্ঞানী তেওঁ মনত ভোগ, বিলাস, মায়া, হিংসা, দ্বেষ, অহংকাৰ একো নাই। জ্ঞান সকলোতকৈ শ্ৰেষ্ঠ।[১৩]

জনসমাজত জ্ঞানৰ শ্ৰেষ্ঠত্ব প্ৰদিপাদন আৰু কৰ্মৰ গুৰুত্ব, স্বধৰ্মৰ শ্ৰেষ্ঠত্ব এনেদৰেই প্ৰতিপন্ন কৰিছে। স্বজাতিক পৰিশোধনৰ মন্ত্ৰ প্ৰদানেৰে পৰমাৰ্থিক তত্ত্বৰ অনুসন্ধান কৰা, ভক্তিৰ মাহাত্ম্য প্ৰকাশেৰে ধৰ্ম ধৰাৰ আহ্বান ধ্বনিত হৈছে পৰম ভক্ত বিদূৰৰ আতিথ্য গ্ৰহণ কৰি কৃষ্ণই কোৱা সংলাপত—

> কৃষ্ণঃ বিদূৰ! তোমাৰ ভক্তিত কোনো সন্তুষ্ট নহৈ নোৱাৰে। এই ভক্তিৰ বাবেই দুৰ্যোধনৰ আতিথ্য গ্ৰহণ নকৰি তোমাৰ ভগা পঁজালৈ আহিছোঁ। ভক্তিৰে দিয়া পানী এচলু কপটভাৱে দিয়া সুমেৰু সমান সুবৰ্ণতকৈও শ্ৰেষ্ঠ।[১৪]

এইয়াই মহান ভাৰতীয় ঐতিহ্য। ভক্তিধৰ্মৰ অনাবিল প্ৰচাৰ।

### ৩.২.১.২ 'কৰ্মযোগ'ৰ প্ৰতি গভীৰ অনুৰাগ বৃদ্ধি ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ 'পাৰ্থ-সাৰথি' নাটকৰ অন্যতম এক মুখ্য উদ্দেশ্য হৈছে জাতীয় জীৱনত

---

১৩। পাৰ্থ-সাৰথি, দ্বিতীয় অঙ্ক, তৃতীয় দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫০৪
১৪। পাৰ্থ-সাৰথি, প্ৰথম অঙ্ক, চতুৰ্থ দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৪৯৫

কৰ্মস্পৃহা জাগ্রত কৰি জাতিক উন্নতিৰ দিশে ধাৱমান কৰোৱাৰ। 'কৰ্মযোগ'ৰ প্ৰতি গভীৰ অনুৰক্তি স্বদেশপ্ৰেমৰ নিদৰ্শন। নাটকখনিত শ্ৰীকৃষ্ণৰ চৰিত্ৰৰ মাজেৰে কৰ্মৰ মহত্ব ঘোষিত হৈছে। অৰ্জুনক কৃষ্ণই কৈছে — 'কৰ্মত প্ৰবৃত্ত হোৱা অৰ্জুন! কৰ্মত প্ৰবৃত্ত হোৱা, কৰ্তব্য কৰ্মলৈ আওহেলা নকৰিবা।'[১৫] এইয়া যেন সমগ্ৰ জাতিৰ প্ৰতি এক আহ্বান। কামনাই জ্ঞানক আচ্ছন্ন কৰি ৰাখে, বাসনা পৰিত্যাগ কৰি কাম কৰিলে জ্ঞান জিলিকি উঠে, আসক্তিবিহীন কৰ্ম কৰি শ্ৰেষ্ঠত্ব অৰ্জন ইত্যাদি স্বদেশৰ মানৱ সমাজৰ বাবে প্ৰদত্ত জ্ঞান। এই জ্ঞান প্ৰদানেৰে সমাজৰ উন্নতি কামনা স্বদেশপ্ৰেমৰ নিদৰ্শন। এই কথা নাটকখনিত উল্লেখ পোৱা যায় এনেদৰে।

> কৃষ্ণঃ (হাঁহি) . . . যি জ্ঞানী তেওঁৰ মনত ভোগ, বিলাস, মায়া, মমতা, হিংসা, দ্বেষ, অহঙ্কাৰ একো নাই। জ্ঞান সকলোতকৈ শ্ৰেষ্ঠ। . . . বিনাকৰ্মে প্ৰকৃতিয়ে কোনো থাকিবলৈ নিদিয়ে। আসক্তি নোহোৱাকৈ কৰ্ম কৰি যি ইন্দ্ৰিয় সংযম কৰে তেওঁ শ্ৰেষ্ঠ। কৰ্মৰপৰা হোৱা জ্ঞানেই প্ৰকৃত জ্ঞান। [১৬]

'কৰ্ম' আৰু 'জ্ঞান' মানৱ জীৱনৰ দুই আধাৰশিলা। এই আধাৰশিলা স্বজাতিৰ প্ৰাণত স্থাপন কৰিবৰ বাবে যি আহ্বানৰ তাড়না সেইয়া স্বদেশপ্ৰেমৰ বাবেহে সম্ভৱ। সমসাময়িক সমাজত সেয়ে 'পাৰ্থ-সাৰথি' নাটকৰ গভীৰ প্ৰভাৱ লক্ষ্য কৰা যায়।

তাৰ উপৰিও 'পাৰ্থ-সাৰথি' নাটক সৃষ্টি আৰু মঞ্চস্থই অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰখনত পৰিৱেশ্য কলাৰ বিকাশ সাধনত বিশেষভাৱে অৱদান আগবঢ়াইছিল।[১৭] বিনন্দ চন্দ্ৰ বৰুৱাই অসমীয়া 'মঞ্চনাট'ৰ ক্ষেত্ৰত আগবঢ়োৱা এই অৱদানে স্বদেশপ্ৰেমৰ এটি উজ্জ্বল দিশ দাঙি ধৰে। সেয়ে অসমীয়া পৌৰাণিক নাটকসমূহৰ ভিতৰত বৰুৱা 'পাৰ্থ-সাৰথি' এক উৎকৃষ্ট উদাহৰণ।

### ৩.২.২ শৰাইঘাট নাটকত প্ৰকাশিত স্বদেশপ্ৰেম ঃ

---

১৫। পূৰ্বোল্লিখিত

১৬। পাৰ্থ-সাৰথি, দ্বিতীয় অঙ্ক, তৃতীয় দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫০৪

১৭। নিবেদন, পাৰ্থ-সাৰথি, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৪৮৫

বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত ইতিহাস চেতনা বা বুৰঞ্জী চেতনাই স্বদেশপ্ৰেম জাগ্ৰত কৰাৰ ক্ষেত্ৰত সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অতীত ৰোমন্থন বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত প্ৰতিফলিত স্বদেশপ্ৰেম প্ৰকাশৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ। 'নাটক'ৰ ক্ষেত্ৰতো এই কথা সমানেই প্ৰযোজ্য। বৰুৱাৰ বুৰঞ্জীমূলক নাটক 'শৰাইঘাট' (১৯৩৮) এইক্ষেত্ৰত এক উজ্জ্বল নিদৰ্শন। বুৰঞ্জীমূলক নাটকৰ বীৰত্বপূৰ্ণ কাহিনী আৰু শৌৰ্য-বীৰ্যসম্পন্ন অতীত বৰ্ণনা, বীৰ শক্তিৰ দেশপ্ৰেমৰ নিদৰ্শনে দেশবাসীৰ প্ৰাণত স্বদেশ চেতনা প্ৰবল ৰূপত জাগ্ৰত কৰে।

> গৌৰৱোজ্জ্বল কাহিনী আৰু প্ৰাণোদীপ্ত চৰিত্ৰৰ ৰূপায়নে জাতীয় প্ৰেৰণাৰ সৃষ্টি কৰে। ৰমন্যাসিক যুগৰ অসমীয়া নাট্যকাৰসকলেও জাতীয়তাবাদী উত্থান আৰু প্ৰতিষ্ঠাৰ অনুপ্ৰেৰণাৰে বুৰঞ্জীৰ ঘটনাৱলীক তেওঁলোকৰ সৃষ্টিকৰ্মৰ বিষয়বস্তু হিচাপে নিৰ্বাচন আৰু গ্ৰহণ কৰে।[১৮]

অসম বুৰঞ্জীৰ এক গৌৰৱপূৰ্ণ অধ্যায় শৰাইঘাট যুদ্ধক কেন্দ্ৰ কৰি ৰচনা কৰা এই নাটকৰ কাহিনীভাগতেই স্বদেশপ্ৰেম প্ৰকট হৈ ধৰা দিছে। অন্যহাতে 'শৰাইঘাট' নাটৰ মুখ্য চৰিত্ৰ লাচিত বৰফুকন হৈছে অসমৰ ইতিহাসত স্বদেশপ্ৰেমৰ এক জ্বলন্ত উদাহৰণ। লাচিত বৰফুকনৰ উপৰি নাটকখনৰ অন্যান্য পুৰুষ আৰু নাৰী চৰিত্ৰৰ মাজেৰেও স্বদেশপ্ৰেমৰ প্ৰকাশ ঘটিছে। অন্যান্য চৰিত্ৰৰ মাজেৰেও স্বদেশপ্ৰেমৰ প্ৰকাশ। বিনন্দ চন্দ্ৰ বৰুৱাৰ শৰাইঘাট নাটকখনৰ সংলাপসমূহ স্বদেশপ্ৰেমৰ উদ্দীপক।

স্বদেশৰ গৌৰৱোজ্জ্বল পটভূমিত বিচৰণ কৰাৰ সুবিধা বুৰঞ্জীমূলক নাটকে প্ৰদান কৰে। এনেদৰেই বুৰঞ্জীমূলক নাটকৰ কাহিনী, চৰিত্ৰ আৰু সংলাপে মানুহৰ প্ৰাণত জাগ্ৰত স্বদেশানুৰাগৰ সোঁত বোঁৱাই স্বদেশ আৰু স্বজাতিৰ মঙ্গল কামনাত ব্যক্তিক ব্ৰতী কৰায়। বিনন্দ চন্দ্ৰ বৰুৱাৰ 'শৰাইঘাট' নাটক তাৰেই প্ৰতিভূ। যিকোনো বিনিময়ত স্বদেশৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবই লাগিব। দেশৰ হকে জীৱন পণ কৰিব লাগিব। কিয়নো গৌৰৱহীন জাতি আৰু জীৱনৰ কোনো মূল্য নাই, মাতৃভূমিতকৈ ব্যক্তিৰ প্ৰাণ কোনো

---

১৮। সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া নাট্য সাহিত্য*, পৃ. ১৭৩

গুণে শ্ৰেষ্ঠ নহয়, স্বদেশ আৰু স্বজাতিক পৰাধীনতাৰ পৰা ৰক্ষা কৰিবলৈ প্ৰতিজন অসমীয়াই নিজৰ প্ৰাণ দি হ'লেও আগবাঢ়ি আহিব লাগিব। নহ'লে জাতিৰ পতন অনিবাৰ্য্য। পৰাধীন জাতিৰ প্ৰাণত স্বদেশপ্ৰেম জাগ্ৰতকৰণৰ এনে অনুপম প্ৰকাশ নাটখনিৰ মুখ্য চৰিত্ৰ লাচিত বৰফুকনৰ সংলাপত ফুটি উঠিছে। অন্যহাতে লাচিতৰ এই আহ্বান 'শৰাইঘাট' নাটকৰো প্ৰাণবস্তু।

> লাচিত ঃ . . . গৌৰৱহীন পৰাধীন দেশত জীৱন যাপন কৰি থকাতকৈ মৃত্যু শত গুণে শ্ৰেয়। গৌৰৱৰ সমষ্টিয়ে আদৰ্শ জীৱন। স্বদেশ আৰু স্বজাতিক ৰক্ষা কৰিবৰ নিমিত্তে অসমীয়াই শেষ ৰক্তবিন্দুও দিব লাগিব . . .।[১৯]

### ৩.২.২.১ শৰাইঘাট আৰু লাচিত বৰফুকনৰ স্বদেশপ্ৰেম ঃ

'শৰাইঘাট' আৰু 'লাচিত বৰফুকন' দুয়োটা নাম যেন একেটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। মোগল সেনাপতি ৰামসিংহ আৰু আহোম সেনাপতি লাচিত বৰফুকনৰ মাজত হোৱা যুদ্ধ আৰু সেই যুদ্ধত আহোম সেনাপতি লাচিত বৰফুকনৰ জয় আৰু ত্যাগ স্বদেশপ্ৰেমৰ উজ্জ্বল চানেকি। অসম বুৰঞ্জীৰ অমৰ চৰিত্ৰ লাচিত বৰফুকনৰ স্বদেশপ্ৰেম, বীৰত্ব, কৰ্তব্যনিষ্ঠাই যুগে যুগে অসমীয়া জাতিক স্বদেশপ্ৰেমৰ মন্ত্ৰেৰে উদ্বেলিত কৰি আহিছে। পৰাধীন দেশত জীৱন যাপন কৰি থকাতকৈ মৃত্যু শতগুণে শ্ৰেয় বুলি প্ৰাণে প্ৰণে বিশ্বাস কৰা লাচিত বৰফুকনৰ স্বদেশপ্ৰেমে চৰম সীমা স্পৰ্শ কৰিছে যেতিয়া চেনেহৰ বান্ধোন ভৰিয়ে ঠেলি নিজৰ মোমায়েকক কৰ্তব্যত কৰা গাফিলতিৰ বাবে তৰোৱালেৰে ডিঙি কাটি স্বদেশ ৰক্ষাত আহুতি দিছিল। 'মোৰ দেশতকৈ মোমাই ডাঙৰ নহয়'[২০] লাচিত বৰফুকনৰ এই সংলাপে অসমীয়া জাতিক চিৰদিন স্বদেশপ্ৰেম সোঁৱৰাই জাতিপ্ৰেমত উদ্বেলিত কৰি আহিছে।

---

১৯। শৰাইঘাট, প্ৰথম অঙ্ক, প্ৰথম দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫৫৩
২০। শৰাইঘাট, চতুৰ্থ অঙ্ক, চতুৰ্থ দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫৯৭

### ৩.২.২.২ অসমীয়া সেনাৰ ৰণনীতি আৰু স্বদেশপ্ৰেম ঃ

'শৰাইঘাট' নাটকত বৰ্ণিত লাচিত বৰফুকনৰ বীৰত্ব আৰু অসমীয়া সেনাৰ ৰণনীতি বৰ্ণনাই, অতীত অসম আৰু অসমীয়াৰ শৌৰ্য-বীৰ্যসম্পন্ন অৱস্থাক পূৰ্ণৰূপে প্ৰতিফলিত কৰিছে। মোগল সেনাপতি ৰামসিংহ আৰু পালি সেনাপতি ৰঘুনাথৰ কথোপকথনত শুনিবলৈ পোৱা যায় অসমীয়া সেনাৰ ৰণনীতি আৰু ৰাজ বিষয়াৰ কৰ্তব্যনিষ্ঠাৰ গুণ-গান। শত্ৰুৰ মুখত স্বজাতিৰ গৰিমা অত্যন্ত গৌৰৱৰ বিষয়। তেনে বিষয় স্বদেশপ্ৰেমৰ উদ্দীপক। তদ্ৰুপ অসমীয়া কটকী মাধৱচৰণো। ৰামসিংহৰ সংলাপত সেই কথা স্পষ্ট।

> ৰাম ঃ আমাৰ জলযুদ্ধত এনে ঘোৰ পৰাজয় কেনেকৈ হ'ল?
>
> ৰঘুনাথ ঃ আপুনি জানেই, পণ্ডিত ৰায়ে কোৱামতে আমি নাৱত অনেক সৈন্য-সামন্তৰ সৈতে বহুত ঘোঁৰাও লগত লৈ গৈছিলোঁ। আন্ধাৰুৰ পোনলৈকে আমাক অসমীয়াই বাধা দিয়া নাছিল। কিন্তু আগদিনা যিফালে ঘোঁৰা তুলিব পৰা বাট দেখি আহিছিলোঁ সেইফালে এটা প্ৰকাণ্ড বালিৰ গড় ৰাতিৰ ভিতৰতে অসমীয়াই তৈয়াৰ কৰিলে। ঢাৰিৰ মাজত বালি দিয়াত আমাৰ গুলি কোনোমতে নসৰকিলে। ইফালে আমাক আগবঢ়া দেখি সৈন্যবিলাক আগবঢ়া নেদেখি বৰফুকনে জ্বৰৰ গাৰেই নাৱত উঠিল। তাকে দেখি হাজাৰ হাজাৰ অসমীয়া নাৱে ব্ৰহ্মপুত্ৰ ঢাকি পেলালে আৰু দুই পাৰৰ পৰা আমাৰ ওপৰত গুলি বৰষিবলৈ ধৰিলে। আমাৰ চৰিপ খাঁ সেনাপতিৰ মূৰত গুলি লাগি নিহত হ'ল। অসমীয়াই ঘোঁৰা আৰু নাৱকে আদি কৰি সকলো বস্তু হস্তগত কৰিলে। এনে অসম্ভৱ যুদ্ধ, এনে অসম্ভৱ ৰণকৌশল ভাৰতৰ আন ক'তো দেখা নাই। আমি বেগতে গুচি নগ'লে অসমীয়াই একেবাৰে ধ্বংস কৰিব। সিহঁতে মানাহৰ কোঠ নাপাম মানে ক্ষান্ত নহয়।[২১]

শত্ৰুৰ মুখত 'দেশভক্ত' আখ্যা লাভ কৰা লাচিত বৰফুকনৰ বাবে জননী জন্মভূমিৰ লগত একোৱে তুলনা নহয়। মোগলক প্ৰতিহত কৰিবৰ বাবে নৰিয়া গাৰেই যুদ্ধলৈ যোৱা আৰু প্ৰাণ দি হ'লেও দেশৰ

---

২১। শৰাইঘাট, পঞ্চম অঙ্ক, সপ্তম দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৬১৫

মান ৰাখিবলৈ সদা প্ৰস্তুত লাচিতৰ সেই দেশভক্তিৰ নিদৰ্শনে যুগে যুগে অসমীয়াৰ প্ৰাণত স্বদেশপ্ৰেম জাগ্ৰত কৰি আহিছে। দেশভক্তিৰ তুলনাত অন্য কোনো সম্পদেই দেশপ্ৰাণ লাচিত বৰফুকনৰ দৃষ্টিত শ্ৰেষ্ঠ নহয়। উদাহৰণ —

ৰাম ঃ বৰফুকন গোপনে তিনি লাখ টকা দিয়াৰো প্ৰস্তাৱ কৰিছিলোঁ। তাতো দেশভক্ত বৰফুকন নটলিল। ক'লে, জননী জন্মভূমিৰ লগত প্ৰাণ দিবলৈ আগবাঢ়িছোঁ, সামান্য ধনৰ কি মূল্য। বৰফুকনৰ কটকী মাধৱ চৰণকো অনেক টকা দি ঘূৰাব নোৱাৰিলোঁ। অসমীয়াৰ ভিতৰত যেতিয়ালৈকে এনে বীৰ, এনে স্বদেশপ্ৰেমীক থাকিব, তেতিয়ালৈকে অসমীয়াৰ স্বাধীনতা নেহেৰায়।[২২]

স্বদেশ আৰু স্বজাতি ৰক্ষাৰ হকে যে বিচক্ষণ সেনাৰ অতি প্ৰয়োজন সেই কথা বিনন্দ চন্দ্ৰ বৰুৱাৰ 'শৰাইঘাট' নাটকত লাচিত আৰু অসমীয়া সেনাৰ বিচক্ষণতাই প্ৰমাণ কৰে। বিশ্বাসঘাতকতা চিনি নোপোৱা প্ৰত্যেকজন অসমীয়া সেনা অসম্ভৱ যোদ্ধা। প্ৰয়োজনত সকলো কৰিবলৈ সক্ষম এনে বিচক্ষণ যোদ্ধাৰ বাবে দেশ সদায় সুৰক্ষিত। ভাৰতৰ পূবৰ শৰাইঘাট ক্ষেত্ৰত মোগল আৰু ৰাজপুতৰ গৌৰৱক শ্মশান ক্ষেত্ৰত পৰিণত কৰিবলৈ সক্ষম হোৱা এনে অসমীয়া সেনাৰ বিচক্ষণতাক ৰামসিংহই কৰা ভূয়সী প্ৰশংসা তাৰেই প্ৰতিভূ —

ৰাম ঃ যাদু জানে নাজানে ক'ব নোৱাৰো; কিন্তু অসমীয়াবিলাক বিচক্ষণ যোদ্ধা, মই ভাৰতৰ এনে বিচক্ষণ যোদ্ধা ক'তো দেখা নাপালো। একেটা মানুহেই প্ৰত্যেকে অস্ত্ৰ চলাব জানে। আৱশ্যক হ'লে মাটি খান্দি গড় বান্ধিব পাৰে। প্ৰত্যেকটো সেনাপতিয়েই বিশ্বাসঘাটকতা কাক বোলে নাজানে। এই অসমীয়া সেনাৰ দলপতি স্বদেশপ্ৰেমীক নিৰ্ভীক ত্যাগী বিচক্ষণ যোদ্ধা আৰু বিচক্ষণ নায়ক লাচিত বৰফুকন বৰ ভাগ্য মিএগ চাহাব, এনে বীৰৰ লগত সাক্ষাৎ হ'ল।[২৩]

### ৩.২.২.৩ অন্যান্য চৰিত্ৰৰ মাজেৰে প্ৰকাশিত স্বদেশপ্ৰেম ঃ

নাটকখনিত লাচিত বৰফুকনৰ উপৰিও স্বদেশপ্ৰেম প্ৰকাশক অন্যান্য চৰিত্ৰ হ'ল — মনোহৰ,

২২। উল্লিখিত, পৃ. ৬১৫-৬১৬
২৩। উল্লিখিত, পৃ. ৬১৬

পানীফুকন, নিত্যনাৰায়ণ, চিত্ৰসেন, বুঢ়াগোহাঁই, নাৰী চৰিত্ৰ বন্তী। এই চৰিত্ৰসমূহৰ ত্যাগ আৰু সাহসৰ জৰিয়তে সমাজৰ সৰ্বস্তৰৰ লোকৰ মাজত স্বদেশপ্ৰেমৰ গুৰুত্ব আৰু মহত্ব বিয়পি পৰিছে। এনেবোৰ চৰিত্ৰৰ কাৰ্যৰদ্বাৰা দেশবাসীৰ প্ৰাণত দেশমাতৃৰ পূজাৰ নিমিত্তে নিজৰ জীৱনক তুচ্চ জ্ঞান কৰাৰ মনোভাৱ সমাজৰ সৰ্বস্তৰতে প্ৰোথিত হয়। লাচিত বৰফুকনৰ সংলাপত জিলিকি উঠিছে চিত্ৰসেনৰ স্বদেশপ্ৰেম। সেনাপতিৰ পৰম বিশ্বাসভাজন চিত্ৰসেন আৰু লাচিতৰ কথোপকথনত চিত্ৰসেনৰ স্বদেশপ্ৰেম জিলিকি উঠিছে এনেদৰে—

চিত্ৰসেন ঃ . . . আমিনো ডাঙৰীয়াৰ নেতৃত্বত শৰাইঘাটত মোগলৰ সৈতে আকৌ ভয়ংকৰ যুদ্ধৰ আগন্তুক হৈছে। বঙালৰ ওপৰত প্ৰতিশোধ লৈ তাহাঁতৰ তেজেৰে মোৰ প্ৰাণ স্বৰূপা পত্নীৰ পিণ্ড দি মৃত্যুবৰণ কৰিবলৈ লৰি আহিছোঁ . . .।

বৰফুকন ঃ উত্তেজিত নহ'বা চিত্ৰ। ই সংসাৰৰেই নিয়ম। আকৌ সকলো পাহৰি তুমি জন্মভূমিৰ হকে যুদ্ধ কৰা। . . . মোৰ বিশ্বাস হৈছে, তুমি মাতৃভূমিৰ ৰক্ষাকাৰ্যত বিশেষ সহায় কৰিব পাৰিবা। [২৪]

আকৌ নাটকৰ পঞ্চম অঙ্কৰ পঞ্চম দৃশ্যত মনোহৰ আৰু নিত্য নাৰায়ণৰ কথোপকথনত দুয়োটি দেশপ্ৰাণ চৰিত্ৰ জিলিকি উঠিছে —

মনোহৰ ঃ সি হ'ব নোৱাৰে নিত্য নাৰায়ণ। (ধনু কাঁড় এৰি) অতবোৰ সৈনিক থাকোঁতে সেনাপতিক মৃত্যুৰ মুখত পৰিবলৈ নিদিওঁ। সৈন্যসকল! আগবাঢ়া। কাপুৰুষ নহ'বা। জন্ম হলে মৃত্যু হ'বই। আজি নহয় কাইলৈ মৰিব লাগিব ...।

নিত্য ঃ ভয় নাই বীৰ, মোৰ মৃত্যুলৈ ভয় নাই। আনৰ দৰে জীৱনৰ আশা-আকাংক্ষা তোমাৰো আছে।[২৫]

আগীয়াঠুটীৰ ৰণত মনোহৰে মৃত্যুৰ আগমুহূৰ্তলৈকে বীৰৰ দৰে যুঁজ দি এনেদৰে আনকো যুদ্ধ কৰাৰ সকিয়নী দি মাতৃভূমিক গৌৰৱান্বিত কৰি তোলা কাৰ্য স্বদেশপ্ৰেমৰ নিদৰ্শন।

---

২৪। শৰাইঘাট, প্ৰথম অঙ্ক, চতুৰ্থ দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫৬৩
২৫। পূৰ্বোল্লিখিত, পৃ. ৬১১

### ৩.২.২.৪ দেশদ্ৰোহীৰ পৰিণাম ঃ

নাটকখনিত দেশৰক্ষকৰ গুৰুত্ব, স্বদেশপ্ৰেমৰ মহত্ব যিদৰে ঘোষিত হৈছে, ঠিক তেনেদৰে, দেশদ্ৰোহী, বিশ্বাসঘাটকৰ ভয়াবহ পৰিণতিও দেখুওৱা হৈছে। নিজ মাতৃভূমিক কৰা প্ৰবঞ্চনা কোনো কাৰণতেই ক্ষমাৰ যোগ্য নহয়। তেনে অন্যায় কৰাজনৰ ইহকাল, পৰকাল সকলো আন্ধাৰ। নিজৰ দেশৰ বিৰুদ্ধাচৰণ কৰি শত্ৰু মোগলৰ লগ লোৱা আৰু অৱশেষত মোগলৰ হাততেই অপৰাধী হিচাপে বন্দী হৈ জীৱন কটাবলগীয়া দেশদ্ৰোহী 'ত্ৰিলোচন' চৰিত্ৰৰ জৰিয়তে এনে সাৱধান বাণী লক্ষ্য কৰা যায়—

> ত্ৰিলোচন ঃ (স্বগতঃ) ... দেশদ্ৰোহীৰ কল্যাণ নাই। ইহকাল-পৰকাল সকলো আন্ধাৰ। যদি এই কথা আগেয়ে ভাবিব পাৰিলোহেঁতেন! এইদৰে নীচ স্বাৰ্থত লাগি বন্দীশালত নমৰি দেশৰ নিমিত্তে যুদ্ধ কৰি মৰা হ'লে মোৰ হকে চকুপানী অনেকেই টুকিলেহেঁতেন। কিন্তু হে ঈশ্বৰ! তুমি মোক মৰিবলৈ বুদ্ধি দিলা, লাঞ্ছিত আৰু ঘৃণীত কুকুৰৰ দৰে মোগলৰ বন্দীশালত! এইবাৰ যদি ৰক্ষা পাওঁ, হে জননী জন্মভূমি! তোমাৰ কাৰণে জীৱন উছৰ্গা কৰিম ...।[২৬]

### ৩.২.২.৫ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতি গভীৰ আনুগত্য প্ৰকাশ ঃ

শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতি গভীৰ আনুগত্য প্ৰকাশ নাটখনিত প্ৰকাশিত স্বদেশপ্ৰেমৰ অন্য এক ৰূপ। নৱবৈষ্ণৱ ধৰ্মৰ মূল 'নাম'ৰ মহত্ব প্ৰকাশত ভক্তিৰসৰ প্ৰভাৱ লক্ষ্য কৰা যায়। আধ্যাত্মিক চেতনাৰে জাতিৰ প্ৰাণত ধৰ্ম-কৰ্মৰ প্ৰতি আস্থা স্থাপনৰ লগে লগে অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ গুণানুকীৰ্তন। বিশেষকৈ শঙ্কৰদেৱৰ অমৰ সৃষ্টি 'কীৰ্তন'ৰ প্ৰভাৱ প্ৰোথিত হৈছে। জাতিৰ প্ৰাণত স্বদেশৰ মহৎ ঐতিহ্য, কৃষ্ণভক্তিৰ প্ৰীতিৰ সন্ধান আছে এনেদৰে—

> কৰুণাময় ৰাম কৰুণাময়।
> কৰিয়ো কৃপাা যেন উচিত হয়।।

---

২৬। শৰাইঘাট, পঞ্চম অঙ্ক, চতুৰ্থ দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৬১০

. . .     . . .     . . .
তোমাত বিনে আন নাহিকে বন্ধু।।
তোমাৰ কৃপালেশে আমাৰ গতি।
কহয় মাধৱ মুৰুখ মতি। [২৭]

নামহে পৰম ধন। নামৰ জৰিয়তে জীৱৰ মুক্তি ঘোষিত হৈছে। হৰিনাম শ্ৰৱন-কীৰ্তনৰ অবিহনে যেন জীৱৰ অধোগতি হয়। নাটখনিত প্ৰতিফলিত লোকায়ত জীৱনৰ প্ৰতিভূস্বৰূপ এজন অন্ধ আৰু সৈনকিৰ কথোপকথনৰ হৰিনাম কীৰ্তনৰ মহত্ব প্ৰকাশ পাইছে—

মুকুত সকলো     হৰিৰ কীৰ্তনে
কৰন্ত সদায় ৰতি।
হেন কীৰ্তনত     যিটো চিত্ত নোহে
যাইবে সিটো অধোগতি। [২৮]

ঠিক তেনেদৰে দ্বিতীয় অঙ্কৰ পঞ্চম দৃশ্যত সনাতনৰ মুখত দিয়া 'কীৰ্তন একাধ্যা পঢ়াচোন' বোলা কথাষাৰ আৰু দ্বিতীয় অংকৰ দ্বিতীয় দৃশ্যত নাৰী চৰিত্ৰ বন্তিৰ মুখত দিয়া "গোকুলে গোধেনু চাৰে ৰাম কানু" বৰগীত ফাঁকিৰ জৰিয়তেও লোকজীৱনত কীৰ্ত্তনৰ প্ৰভাৱ আৰু সমাজ জীৱনত কৃষ্ণভক্তি স্পষ্ট কৰিছে।

### ৩.২.২.৬ সমন্বয়ৰ ঐতিহ্য ঃ

নাটকখনিত প্ৰতিফলন হোৱা সমন্বয়ৰ বাৰ্তা, মহান ভাৰতীয়ত্বৰ সন্ধানে স্বদেশপ্ৰেম প্ৰকট কৰি তুলিছে। বুৰঞ্জীৰ ৰণক্ষেত্ৰ নাট্যকাৰৰ দৃষ্টিত ধৰ্মক্ষেত্ৰলৈ ৰূপান্তৰিত হ'ল। জাতি-অজাতিৰ বিচাৰ নকৰি ই মহান আদৰ্শৰ মহামিলনৰ স্থানৰূপে ৰূপায়িত হ'ল। উচ্চ-নীচ, সাম্প্ৰদায়িক ভেদাভেদ য'ত গৌণ সেই মানৱধৰ্মই শ্ৰেষ্ঠত্ব ৰূপে ঘোষিত হ'ল। নাটকৰ পঞ্চম অংকৰ অষ্টম দৃশ্যত 'হাচান' আৰু 'লাচিত'ৰ

২৭। শৰাইঘাট, প্ৰথম অঙ্ক, দ্বিতীয় দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫৫৬-৫৫৭
২৮। শৰাইঘাট, দ্বিতীয় অঙ্ক, তৃতীয় দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫৭২

কথোপকথনত সমন্বয়ৰ ঐতিহ্য, ভাতৃত্ববোধৰ মহান মন্ত্ৰ ঘোষিত হৈছে এনেদৰে —

হাচান ঃ হিন্দু আৰু মুছলমান ক্ৰমে একতা পাশেৰে বদ্ধ হৈ আহিছে। এনে এদিন আহিব যিদিনা হিন্দু আৰু মুছলমান নুবুলি মানুহে এই দেশৰ সকলো মানুহক এটা মাত্ৰ জাতি বুলি ভাবিবলৈ বাধ্য হ'ব। তেতিয়া হিন্দু আৰু মুছলমান দুয়ো গোট খাই হ'ব ভাৰতবাসী।

লাচিত ঃ ঠিক কথা বীৰ। এনে এদিন আহিব যিদিনা হিন্দু মুছলমান নিৰ্বিশেষে সকলো অসমীয়াই নিজৰ জাতীয় গৌৰৱ ৰক্ষা কৰিবলৈ হয়তো এই শৰাইঘাটতে গোট খাব।[২৯]

### ৩.২.২.৭ আশাবাদ আৰু স্বদেশপ্ৰেম ঃ

এক প্ৰবল আশাবাদ নাটকখনিৰ শেহৰফালে লাচিতৰ সংলাপত পৰিস্ফুট হয়। শৰাইঘাটৰ গৌৰৱ গাথা সৰ্বকালৰ অনুপ্ৰেৰণা হৈ ৰ'ব। সোঁৰৰাই তুলিব দেশতকৈ মোমাই ডাঙৰ নহয়। নিজ প্ৰাণকো তুচ্ছ জ্ঞান কৰি স্বদেশ ৰক্ষাৰে ধন্য হৈ ৰোৱা শৰাইঘাট পবিত্ৰ। সেয়ে পবিত্ৰ শৰাইঘাটৰ মহত্ব আৰু গুৰুত্ব যুগে যুগে ঘোষিত হৈ আহিছে। নাটকৰ পঞ্চম অংকৰ অষ্টম দৃশ্যত লাচিতৰ সংলাপ তাৰেই প্ৰতিধ্বনি —

লাচিত ঃ ... ধন্য শৰাইঘাট ! এই শৰাইঘাটৰ স্মৃতিয়ে ভৱিষ্যৎ অসমীয়াক অনুপ্ৰাণিত কৰিব। সিহঁতে হীন অৱস্থা পালেও শৰাইঘাটলৈ চাই দুধাৰি চকুপানী টুকিব। এই শৰাইঘাটৰ স্মৃতিৰ অনুপ্ৰেৰণাই সিহঁতক কেতিয়াবা আকৌ মানুহ কৰিব। মানুহ হৈ সিহঁতে দেশৰ নিমিত্তে প্ৰাণপৰ্যন্ত দিবলৈ আগবাঢ়িব ... ।[৩০]

লাচিত বৰফুকনৰ হৃদয়ৰ মৰ্মস্থলীৰ এই আবেদনে আজিও জাতিক উদ্বেলিত কৰি আহিছে। এনেদৰেই শৰাইঘাট নাটকত কাহিনী, চৰিত্ৰ, সংলাপ ইত্যাদিৰ জৰিয়তে স্বদেশপ্ৰেমৰ বন্যা প্ৰবাহিত হৈ আছে। সেয়ে শৰাইঘাট কবি বৰুৱাৰ দৃষ্টিতো ধন্য আৰু নাট্যকাৰ বৰুৱাৰ দৃষ্টিটো ধন্য— ধন্য শৰাইঘাট।

---

২৯। শৰাইঘাট, পঞ্চম অঙ্ক, চতুৰ্থ দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৬১০

৩০। শৰাইঘাট, পঞ্চম অঙ্ক, অষ্টম দৃশ্য, *বনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৬১৮

### ৩.২.২.৮ লোক সংস্কৃতিৰ প্ৰতি আনুগত্য প্ৰকাশ ঃ

নাটকৰ কাহিনীৰ মাজে মাজে জাতীয় উৎসৱ বিহুৰ উল্লেখ লেখত ল'বলগীয়া। বিহু নামৰ উল্লেখে স্বকীয় কৃষ্টি-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা, আনুগত্য এনেদৰে প্ৰকাশ কৰা স্বদেশপ্ৰেমৰ মূৰ্ত প্ৰকাশ। জাতীয় জীৱনৰ প্ৰতিফলনে ঐতিহাসিক নাটক 'শৰাইঘাট'ত স্বদেশপ্ৰেম দুগুণে উজ্বলিছে।

দেউতা ওলালে বৰচ'ৰা মুখলৈ
দুলিয়াই পাতিলে দোলা
কাণত জিকমিকাই নৰোৱা জাংফাই
গাতে গোমচেঙৰ চোলা। [৩১]

তেনেদৰে নাটখনিৰ আৰম্ভণিৰপৰা শেষলৈকে গীতৰ প্ৰাধান্য লক্ষ্য কৰা যায়। মুদ্ৰা, চাপৰি, ঢোল বাদন, তাল, ঢাক আদি বাদ্যযন্ত্ৰৰ উল্লেখ, হুঁচৰিৰ উল্লেখে নাটকখনিত অসমৰ লোক পৰিৱেশ্য কলাৰ স্বাক্ষৰ দাঙি ধৰিছে। এয়াও স্বদেশপ্ৰেমৰে অন্যতম এক প্ৰকাশ।

এনেদৰেই বিনন্দ চন্দ্ৰ বৰুৱাৰ শৰাইঘাট নাটকত স্বদেশপ্ৰেমৰ পূৰ্ণ প্ৰতিফলন দেখিবলৈ পোৱা যায়। উল্লেখযোগ্য যে বিবিধ ৰসৰ সমাহাৰে নাটকৰ কাহিনীবস্তু, চৰিত্ৰাংকন, সংলাপ, উপযুক্ত পৰিৱেশ সৃষ্টিয়ে নাট্যকাৰৰ জীৱন দৰ্শন দাঙি ধৰাৰ উপৰিও 'শৰাইঘাট' নাটক হৈ পৰিছে স্বদেশপ্ৰেমৰ সুতীব্ৰ অনুৰণন।

সংখ্যাত তাকৰ হ'লেও বিনন্দ চন্দ্ৰ বৰুৱাৰ পূৰ্ণাঙ্গ নাটকদুখনে সমসাময়িক সমাজত পালন কৰা ভূমিকা সদা স্মৰণীয়। স্বদেশপ্ৰেমৰ অমল উৎস হৈ জাতিৰ প্ৰাণত সাঁচ বহুৱাই চিৰদিন জিলিকি আছে।

উল্লেখযোগ্য যে বিনন্দ চন্দ্ৰ বৰুৱাৰ ৰচনাৱলীত সন্নিৱিষ্ট 'বেঙেনা ৰহস্য' প্ৰহসনখনি সম্পূৰ্ণ গ্ৰাম্য পটভূমিত ৰচিত খুহুতীয়া কথাৰ থূনপাক আৰু হাস্যৰসৰ উৎস। গতিকে 'স্বদেশপ্ৰেম' আলোচনাত এই পুথি মূল আলোচনালৈ অনা হোৱা নাই।

---

৩১। শৰাইঘাট, তৃতীয় অঙ্ক, দ্বিতীয় দৃশ্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৫৮১